আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JANUARY 8, 2024>> 10 PM
www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ১৪
Guwahati, Assam ।। মূল্যঃ এটকা

## মুখথেকেচা খালে গুজৰাট চৰকাৰে

# অৱশেষত ন্যায়ৰ যুঁজত জয়ী বিলকিছ



নতুন দিল্লী, ৮ জানুৱাৰীঃ **উচ্চতম ন্যায়ালত মুখথেকেচা খাইছে গুজৰাট চৰকাৰে৷ গুজৰাট চৰকাৰৰ বিৰুদ্ধে যুঁজ দিয়া বিলকিছ বানুৰ নৈতিক বিজয় হৈছে৷ উচ্চতম ন্যায়ালয়ে সোমবাৰে বিলকিছ বানু ধৰ্ষণ গোচৰৰ ১১ দোষীৰ মুক্তি বাতিল কৰি ঐতিহাসিক ৰায় প্ৰদান কৰে। গুজৰাট চৰকাৰে ধৰ্ষণ আৰু হত্যাকাণ্ডৰ দোষীসকলক ২০২২ চনৰ স্বাধীনতা দিৱসত মুক্তি দি শাস্তি ৰেহাই দিছিল। উচ্চতম ন্যায়ালয়ে ৰায়ত কয় যে গুজৰাট চৰকাৰৰ শাস্তিক লৈ কোনো সিদ্ধান্ত লোৱাৰ কোনো অধিকাৰ নাই। মহাৰাষ্ট্ৰ চৰকাৰেহে এই সিদ্ধান্ত ল'ব পাৰে৷ উচ্চতম ন্যায়ালয়ে কয় যে গুজৰাট চৰকাৰে এই ধৰ্ষণকাৰীসকলৰ সৈতে হাত মিলাইছিল।** ■ শেষাংশ ২নং পৃষ্ঠাত

## নৱম শ্ৰেণীৰ ছাত্ৰক মৃত্যুদণ্ড দিছিল আলফাই! ক্ষমা খোজাৰ দাবী পিতৃৰ



### ১৬ বছৰ ধৰি উচুপি আহিছে মাতৃয়ে

**ই-সংবাদ বিশেষ, ৮ জানুৱাৰীঃ** অসম আৰু অসমীয়াৰ নাম লৈ সংগ্ৰাম কৰা আলফাৰ এক নাৰকীয় কাণ্ডই দি যোৱা এটুকুৰা কেঁচা ঘাঁ আজিও শুকুৱাই আনিব পৰা নাই কামৰূপ জিলাৰ গাছবাৰীৰ খাটি অসমীয়া মতিৰাম ৰাজবংশীয়ে৷ ১৬ বছৰ পূৰ্বে আলফাৰ গুলীয়ে কাঢ়ি লৈ গৈছিল গাছবাৰীৰ সমীপৰ্বৰ্তী মহাজনপাৰৰ ছেপ্তিপাৰ চুবুৰীৰ নিবাসী মতিৰাম ৰাজবংশীৰ ১৩ বছৰীয়া পুত্ৰ ভৰেশ ৰাজবংশীক। সংগ্ৰামী আলফাৰ এই চৰম নৃশংসতাৰ বলি হৈ তেতিয়াৰ পৰাই পুত্ৰশোকত এটা এটা দিন পাৰ কৰিবলগীয়া হৈছে দৰিদ্ৰ মতিৰাম ৰাজবংশীয়ে। কিন্তু এতিয়া সুদীৰ্ঘ ১৬ বছৰ পিছত ন্যায় বিচাৰি মুখ খুলিছে তেওঁ। পুত্ৰক হত্যা কৰা আলফাক ঘৰলৈ আহি ক্ষমা খোজাৰ ■ শেষাংশ ৩নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ন্যায়ালয়ত ন্যায়ৰ যুঁজত জয়ী বিলকিছ

উল্লেখ্য যে, গুজৰাটৰ বিজেপি চৰকাৰে ধৰ্ষণকাৰীসকলক সহায় কৰিবলৈ কাম কৰি আছিল। বিজেপিৰ দুজন বিধায়কে এই ধৰ্ষণকাৰীসকলক মুক্তি দিয়াৰ পৰামৰ্শ দিছিল। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি.ভি নাগাৰাথনা আৰু উজ্জল ভূঞাই উল্লেখ কৰিছে যে ২০২২ চনৰ মে' মাহত গুজৰাট চৰকাৰে দোষীসকলক ৰেহাই দি তথ্য উপেক্ষা কৰিছিল। সকলো দোষীক দুসপ্তাহৰ ভিতৰত কাৰাগাৰ কৰ্তৃপক্ষৰ সন্মুখত হাজিৰ হ'বলৈ কোৱা হৈছে। ২০০২ চনৰ গুজৰাট হিংসাৰ গোচৰত দোষীসকলক দোষমুক্ত কৰা হৈছিল৷ য'ত বিলকিছ বানুক ধৰ্ষণ কৰা হৈছিল আৰু পৰিয়ালৰ সাতজনক হত্যা কৰিছিল৷ তাৰ পাছতে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল বানোৱে। এই সিদ্ধান্ত সন্দৰ্ভত এআইএমআইএমৰ সাংসদ আছাদুদ্দিন ৱেচিয়ে কয় যে বিলকিছ বানুৰ ধৰ্ষণকাৰীসকলক বিজেপিয়ে উদ্ধাৰ কৰিছিল। বিলকিছ বানুৱে নিজৰ বাবে ন্যায়ৰ বাবে যুঁজ দিছিল আৰু মনত ৰাখিব লাগিব যে বিলকিছ বানুক অত্যাচাৰ কৰা ধৰ্ষণকাৰীসকলক বিজেপিয়ে উদ্ধাৰ কৰিছিল। বিলকিছ বোনাৰ আৱেদনখনৰ শুনানিৰ পাছতে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি.ভি নাগাৰাথনা আৰু ন্যায়াধীশ উজ্জল ভূঞাৰ বিচাৰপীঠে যোৱা বছৰৰ ১২ অক্টোবৰত ৰায় সংৰক্ষণ কৰি ৰাখিছিল। আৱেদনখনত গুজৰাট চৰকাৰৰ ১১ জন দোষীৰ শাস্তি ৰেহাই দিয়াৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাইছিল৷ বিলকিছ বানুকে ধৰি কেইবাটাও হত্যা আৰু দলবদ্ধ ধৰ্ষণৰ বাবে আজীৱন কাৰাদণ্ড দিয়া হৈছিল। বিলকিছ বানুৰ অধিবক্তা বৃন্দা গ্ৰোভাৰে কয় যে গুজৰাট চৰকাৰে ৰেহাইৰ আদেশ দিছিল৷ তেওঁলোকৰ কোনো কৰ্তৃত্ব নাই। মহাৰাষ্ট্ৰ চৰকাৰৰ কতৃত্ব আছে৷ অধিবক্তা ইন্দিৰা জয়সিঙে এই সিদ্ধান্তক ঐতিহাসিক বুলি অভিহিত কৰি কয় যে এই সিদ্ধান্তই প্ৰমাণ কৰে যে আইন সকলোৰে বাবে সমান। গোচৰৰ দোষীয়ে আবেদন কৰিব পাৰে কিন্তু এই ক্ষেত্ৰত চিবিআই আদালতে ইতিমধ্যে কৈছে যে তেওঁলোকে অনুমতি পোৱা উচিত নহয়। উল্লেখ্য যে এই গোচৰত মহাৰাষ্ট্ৰৰ কথা উল্লেখ কৰা হৈছে৷ কিয়নো গুজৰাটৰ পৰিৱেশ ভাল নোহোৱাত এই গোচৰ মহাৰাষ্ট্ৰত অনুষ্ঠিত হৈছিল। এনে পৰিস্থিতিত যি খন ৰাজ্যত শুনানি অনুষ্ঠিত হৈছিল, সেই ৰাজ্যখনৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে। আদালতে দ্বিতীয়তে আন এটা কথাও কয় যে ক্ষমতা কাঢ়ি লোৱা হৈছে আৰু দোষীসকল কাৰাগাৰলৈ ঘূৰি যাব লাগিব। গুজৰাট চৰকাৰৰ ক্ষমা নীতিৰ অধীনত, ২০২২ চনৰ ১৫ আগষ্টত যশৱন্ত নাই, গোবিন্দ নাই, শৈলেশ ভট্ট, ৰাধেশ্যাম শ্বাহ, বিপিন চন্দ্ৰ যোশী, কেশৰভনী ভোহানিয়া, প্ৰদীপ মোধৱাদিয়া, বাকাভাই ভোহানিয়া, ৰাজুভাই চোনি, মিতেশ ভট্ট আৰু ৰমেশ চান্দনাক গোধৰা উপ-কাৰাগাৰৰ পৰা মুকলি কৰা হৈছিল। ২০০৮ চনত মুম্বাইৰ এখন বিশেষ চিবিআই আদালতে বানুৰ দলবদ্ধ ধৰ্ষণ আৰু পৰিয়ালৰ সাতজন সদস্যক হত্যাৰ বাবে ১১ জন দোষীক আজীৱন কাৰাদণ্ড প্ৰদান কৰিছিল। বোম্বাই উচ্চ ন্যায়ালয়েও এই শাস্তি নিশ্চিত কৰিছে। গোচৰৰ সকলো দোষীয়ে ১৫ বছৰতকৈ অধিক কাৰাদণ্ড ভোগ কৰিছিল। এই ভিত্তিত ৰাধেশ্যাম শ্বাহে শাস্তিৰ ৰেহাইৰ বাবে অনুৰোধ কৰিছিল। দোষীসকলক মুকলি কৰাৰ পাছতে গুজৰাটৰ অতিৰিক্ত মুখ্য সচিব (গৃহ) ৰাজ কুমাৰে কৈছিল যে কাৰাগাৰত ১৪ বছৰ সম্পূৰ্ণ হোৱা, বয়স, অপৰাধৰ প্ৰকৃতি, কাৰাগাৰৰ আচৰণ আদিৰ আধাৰত শাস্তি ৰক্ষাৰ বাবে আবেদন বিবেচনা কৰা হৈছিল। এই ঘটনা সংঘটিত হৈছিল ২০০২ চনত৷ ২০০২ চনৰ ২৭ ফেব্ৰুৱাৰীত গোধৰাত 'কাৰসেৱক'ৰে ভৰ্তি সাবৰমতী এক্সপ্ৰেছৰ ডবাত জুই লগোৱা হৈছিল। ৫৯ জন লোকৰ মৃত্যু হয়৷ গুজৰাটত হিংসা আৰম্ভ হয়। বিলকিছ বানুৱে চাৰে তিনি বছৰীয়া কন্যা আৰু আন ১৫ জনৰ সৈতে আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ গাঁৱৰ পৰা পলাই গৈছিল। তাই সেই সময়ত পাঁচ মাহৰ গৰ্ভৱতী আছিল। হিংসাত জড়িত লোকে গুজৰাটৰ দাহোদ আৰু আশে-পাশে থকা এলেকাৰ বহু ঘৰ জ্বলাই দিছিল। ২০০২ চনৰ ৩ মাৰ্চ তাৰিখে বিলকিছৰ পৰিয়ালে চাপ্পাৰৱাড গাঁৱত উপস্থিত হৈ পথাৰত লুকাই থাকে। সেই সময়ত ১২ জন লোককে ধৰি ২০-৩০ জন লোকে বিলকিছ আৰু পৰিয়ালৰ সদস্যসকলক লাঠি আৰু চেইনৰে আক্ৰমণ কৰে। বিলকিছ আৰু চাৰিগৰাকী মহিলাক ধৰ্ষণ কৰা হৈছিল। ইয়াত বিলকিছ জীৱিত আছিল। এই আক্ৰমণত ৰান্ধিকপুৰৰ ১৭ জন মুছলমানৰ ভিতৰত ৭ জন নিহত হৈছিল। তেওঁলোক আটাইকেইজন বিলকিছৰ পৰিয়ালৰ সদস্য আছিল। বিলকিছৰ কণমানি কন্যাও আক্ৰমণৰ বলি হৈছিল। বিলকিছে গোধৰা সাহায্য শিবিৰত থাকি চিকিৎসাৰ অন্তত গোচৰ ৰুজু কৰিছিল৷

# টীয়কত দপদপকৈ জ্বলিল বাহন

**ই-সংবাদ, ৮ জানুৱাৰীঃ** যোৰহাট জিলাৰ টীয়কত ৰখাই থোৱা চাৰিচকীয়া বাহন এখন হঠাতে দপদপকৈ জ্বলি উঠে৷ টীয়ক নামচিচুৰ নামচিচু পূজা খেলপথাৰত ৰখাই থোৱা অৱস্থাত হঠাতে জ্বলি উঠে বাহনখন। গাড়ীখনৰ নম্বৰ হৈছে এএছ-০৩ এইছ ১৪৯৯। স্থানীয় লোকে গাড়ীখন জ্বলি থকা প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ টীয়ক আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে৷ অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতা আৰু টীয়ক আৰক্ষীৰ সহযোগত জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয় যদিও গাড়ীখনৰ ৮০ শতাংশ জ্বলি ছাই হয়৷ জানিব পৰা মতে, কোনো লোকে পুৰাৰ ভাগত গাড়ীখন উক্ত স্থানত ৰখাই থৈ গৈছিল৷ কি কাৰণত অগ্নিকাণ্ড সংঘটিত হৈছে সেই কথা জানিব পৰা হোৱা নাই৷ গাড়ীখনৰ গৰাকী কোন, কিয় ৰাখি থৈ গৈছিল সেই কথাও জানিব পৰা হোৱা নাই৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# নৱম শ্ৰেণীৰ ছাত্ৰক মৃত্যুদণ্ড দিছিল আলফাই!

দাবী জনাইছে পিতৃ মতিৰামে। উল্লেখ্য যে, ২০০৮ চনত আলফাই সংঘটিত কৰিছিল সেই নৃশংস হত্যাকাণ্ড। মতিৰাম ৰাজবংশীৰ নৱম শ্ৰেণীত পঢ়ি থকা পুত্ৰ ভৱেশ ৰাজবংশীক বিনা দোষতে নিচেই ওচৰৰ পৰা হত্যা কৰা হৈছিল গুলীয়াই। কিন্তু এই হত্যাকাণ্ডৰ পিছতো আলফাৰ বিৰুদ্ধে এটা টু শব্দও কৰা নাছিল কোনেও। আৰক্ষীয়ে তদন্ত আগবঢ়াই নিব পৰা নাছিল। যাৰ বাবে সুদীৰ্ঘ ১৬ বছৰ পুত্ৰৰ মৃত্যুৰ ন্যায়ৰ আশাৰে পাৰ কৰিছে মতিৰাম ৰাজবংশীয়ে। কিন্তু শেহতীয়াকৈ দিল্লীত উপস্থিত হৈ আলফাই ভাৰত চৰকাৰৰ সৈতে বুজাবুজি তথা ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰাৰ পিছতে পুত্ৰৰ মৃত্যুক লৈ প্ৰথমবাৰৰ বাবে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মতিৰাম ৰাজবংশীয়ে কয়, 'আলফা নেতৃত্ব মোৰ ঘৰলৈ আহক, মোক ক্ষমা খোজক আৰু মোক সাহায্য দিয়ক৷' বিভিন্ন সংবাদ মাধ্যমত আলফাৰ চুক্তি আৰু আলফা নেতৃত্বৰ বক্তব্যসমূহ শুনি ১৬ বছৰ আগৰ ঘা টুকুৰা কেঁচা হৈ উঠিছে মতিৰাম ৰাজবংশীৰ৷ ৰাজবংশীয়ে কয় 'অৰবিন্দ ৰাজখোৱা, শশীধৰ চোধুৰী, অনুপ চেতিয়া মোৰ ঘৰলৈ আহক৷ মোক ক্ষমা খোজক আৰু মোক সাহায্য দিয়ক৷ মোৰ এতিয়া একো নাই৷ মই এতিয়া আনৰ মাটি আধি লৈ খেতি কৰো, কেনেবাকৈ ঘৰখন চলাওঁ৷' উল্লেখ্য যে, প্ৰায় ৬৫ বছৰীয়া মতিৰাম ৰাজবংশীৰ দুই সন্তানৰ পিতৃ আছিল৷ ২০০৮ চনত ডাঙৰ পুত্ৰ ভবেশ ৰাজবংশী নৱম শ্ৰেণীত স্থানীয় হেমবৰুৱা হাইস্কুলত পঢ়ি থকাৰ সময়তে আলফাই গুলীয়াই হত্যা কৰে৷ আনহাতে তেতিয়া সৰু পুত্ৰ ষষ্ঠ শ্ৰেণীত পঢ়ি আছিল৷ সৰু পুত্ৰৰ বয়স এতিয়া ২৭ বছৰ৷ কিন্তু ৰোগাক্ৰান্ত সৰু পুত্ৰৰ এতিয়া চিকিৎসা চলি আছে দিল্লীৰ এইমছত। সৰু পুত্ৰ যিটো ৰোগত আক্ৰান্ত সেই ৰোগ ভাৰতত এক কোটি মানুহৰ ভিতৰত এজনৰহে হয়৷ দিল্লীৰ এইমছত চিকিৎসা কৰিবলৈ যোৱাৰ সময়ত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মতিৰাম ৰাজবংশীক সহায় কৰিছিল৷ ২০০৮ চন তথা আহিন মাহৰ ১৯ তাৰিখে ১৩ বছৰীয়া পুত্ৰক সন্ধিয়া ৬ বজাত ঘৰৰ পৰা আলফাই মাতি নিছিল৷ সন্ধিয়া ৭ বজাত ঘৰৰ পৰা প্ৰায় ৭০০ মিটাৰ দূৰৰ জনশূন্য এলেকালৈ নি হত্যা কৰা হৈছিল পুত্ৰ ভৱেশক৷ আলফাই নিচেই ওচৰৰ পৰা পিষ্টলেৰে কেইবা জাই গুলী চলাই মূৰৰ খোলা উৰুৱাই দিয়ে৷ পাছত স্থানীয় লোকে বাইহাটা চাৰিআলি আৰক্ষী থানাত খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ অন্তত মতিৰাম ৰাংজবংশীক মৃতদেহ চমজাই দিছিল৷ ঘৰলৈ মৃতদেহ আনি কেইজনমান লোকৰ উপস্থিতিত মৃতদেহ সৎকাৰ কৰিছিল৷ সেই সময়ত কোনো দল-সংগঠনে মতিৰাম ৰাংজবংশীৰ পৰিয়ালৰ সৈতে সংঘটিত বৰ্বৰ কাণ্ডক লৈ মাত দিয়া নাছিল৷ আনকি স্থানীয় লোকেও মাত দি আলফাৰ বিৰুদ্ধে যাবলৈ সাহস কৰা নাছিল৷ সকলো নিৰৱে সহি গৈছিল মতিৰাম ৰাজবংশীয়ে৷ কিন্তু ১৬ বছৰৰ অন্তত মতিৰাম ৰাজবংশীয়ে আলফাৰ বিৰুদ্ধে সোচ্ছাৰ হৈ কয় 'আমাৰ নাইনত পঢ়া লৰাটোক মাৰি পেলাইছে৷ আমাৰ কিমান দুখ থাকিব পাৰে আলফাই এবাৰ ভাবক৷ মোৰ ডাঙৰ সন্তানটো থাকিলে এই বুঢ়া বয়সত কাম কৰিব নালাগিলহেঁতেন৷ আলফাই আমাৰ বাবে কিবা এটা কৰক৷ আলফাই মোৰ ওচৰলৈ আহি ক্ষমা বিচাৰিলে মই ভাল পাম৷ মুঠতে আলফাই আমাৰ বাবে কিবা কৰক৷' মতিৰাম ৰাজবংশীয়ে পুনৰ কয়, "তাক আলফাই ব্যৱহাৰ কৰিছিল৷ কিন্তু সেই কথা আৰ্মীক কৈ দিয়াৰ সন্দেহ কৰি গুলীয়াই মাৰে৷ মোৰ ল'ৰাটোক মাৰি পেলোৱাৰ দুদিনমান পূৰ্বে আমাৰ ঘৰলৈ সেই সময়ৰ আলফাৰ নেতা ৰবীন বেজবৰুৱা আহিছিল৷ মাৰি পেলোৱাৰ পাছৰে পৰা আজিলৈ আমাৰ ঘৰলৈ কোনো আলফা নেতা অহা নাই৷" অসহায় সুৰেৰে ৬৫ বছৰীয়া মতিৰামে আৰু কয় "বোপা মই কথা ক'ব জনা মানুহ নহয়, মই এটা কথাই কও যে আলফাৰ নেতাসকল মোৰ ঘৰলৈ আহক৷ মোক ক্ষমা খোজক৷ আৰু মোক চলি থাকিব পৰাকৈ সাহায্য দিয়ক৷ ডাঙৰ ল'ৰাটো থাকিলে আজি মই বুঢ়া বয়সত কাম কৰি খাবলগীয়া পৰিস্থিতি নহ'লহেঁতেন৷"




**ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক সফল কৰিবলৈ নগাঁও ৰাজীৱ ভৱনত ভূপেন বৰা, গৌৰৱ গগৈৰ উপস্থিতিত বিশেষ পৰ্যালোচনা সভা**

## এছপি-ডিএছপিৰ সমুখতে উটি গৈছিল কুশল কলিতা

# সতীৰ্থক মৰিবলৈ দি চাই আছিল আৰক্ষীৰ দলে! ভিডিঅ' প্ৰত্যক্ষ কৰি ক্ষুব্ধ নেটিজেন

**ই-সংবাদ, ৮ জানুৱাৰীঃ** অসম আৰক্ষীয়ে সহযোগী তথা সতীৰ্থৰ বিপদৰ সময়ত লোৱা ভূমিকাক প্ৰত্যক্ষ কৰি হায়ঃ হায়ঃ কৰিছে ৰাজ্যৰ নাগৰিকে৷ পানীত পৰি ককবকাই থকা সতীৰ্থ তথা সহযোগীৰ মৃত্যুক স্বচক্ষে চাই থাকি সহায় কৰিবলৈ আগবাঢ়ি নহাত আৰক্ষীক তীব্ৰ সমালোচনা কৰিছে নাগৰিকে৷ গ্ৰেপ্তাৰ কৰা অভিযুক্তক গুলীয়াই এনকাউণ্টাৰ কৰা অসম আৰক্ষীৰ সাহস আৰু সক্ৰিয়তাক লৈ বহু প্ৰশ্ন উত্থাপন হৈছে? অসম আৰক্ষীয়ে এনকাউণ্টাৰ কৰি বাঃ বাঃ লয়৷ অইন ৰাজ্যত অভিযুক্তক ধৰিবলৈ বিমান যোগে উৰা মাৰো মাৰো কৰি থাকে৷ লকডাউনৰ সময়ত নিৰীহ লোকক পিঠি ফলা দৃশ্য অসমৰ বাইজে পাহৰিব পৰা নাই৷ কিন্তু নিজৰ ৰাজ্যতে নিজ সহযোগীৰ প্ৰাণ ৰক্ষা কৰিবলৈ কোনো ব্যৱস্থা নকৰিলে! নিজৰে সতীৰ্থ এজনে পানীত পৰি ককবকাই থকাৰ পাছতো পানীত নামি সহায়ৰ হাত এখন দিবলৈ সাহস নকৰিলে আৰক্ষীয়ে৷ নিতৌ একেলগে দায়িত্ব পালন কৰা নিজৰে ভাতৃসম তথা বন্ধুৰ জীৱন ৰক্ষা নকৰা অসম আৰক্ষীক লৈ ৰাজ্যৰ নাগৰিকৰ মনত বহু প্ৰশ্ন উদয় হৈছে৷ ৰাজ্যৰ নাগৰিকে সামাজিক মাধ্যম যোগে ক্ষোভ ব্যক্ত কৰিছে৷ ৭ জানুৱাৰীত দক্ষিণ শালমাৰা মানকাচৰ জিলাত ব্ৰহ্মপুত্ৰৰ বুকুৰে যাত্ৰা কৰিছিল জিলাখনৰ আৰক্ষীৰ এটা দল৷ আৰক্ষীৰ দলটোৰ সৈতে থকা কুশল কলিতা নদীৰ বুকুত পৰি গৈছিল৷ বন্দুক, জোতা, ঠাণ্ডাৰ কাপোৰসহ পানীত পৰা কুশল কলিতাই সাঁতুৰিব পৰা নাছিল৷ শেষমুহূৰ্তলৈ পাৰলৈ যাবৰ বাবে অপ্ৰাণ চেষ্টা কৰিছিল৷ কিন্তু আৰক্ষীৰ নাৱত থিয় হৈ সকলো আৰক্ষীয়ে অসহায় হৈ চাই গৈছিল সকলো৷ আনকি উচ্চপদস্থ বিষয়াই কোনো নিৰ্দেশনা নিদিলে৷ নাৱত থকা আৰক্ষীসকলক পানীত জপিয়াই কুশল কলিতাক উদ্ধাৰ কৰিবলৈ কোনো নিৰ্দেশনা নিদিলে উচ্চপদস্থ বিষয়াই৷ চাওতে চাওতে চকুৰ সন্মুখতে পানীত ডুব গৈ নিৰুদ্দেশ হৈ পৰে কুশল কলিতা৷ দূৰৰ পৰা চাই থকা আন এখন যাত্ৰী কঢ়িওৱা নাও ওচৰ চাপি আহে৷ সেই নাওখনত থকা কেইবাজনো স্থানীয় যুৱকে ওচৰ পোৱাৰ পাছতে নদীত জপিয়াই অভিযান চলাই যদিও কুশল কলিতা অন্তৰ্ধান হৈ পৰে৷ স্থানীয় কেইবাজনো যুৱকে দূৰৰ পৰা নাও চপাই আনি সাহসেৰে পানীত নামি গৈছিল৷ কিন্তু তেতিয়ালৈ পলম হৈছিল৷ অস্ত্ৰ-শস্ত্ৰ, জোতা আৰু ঠাণ্ডাৰ কাপোৰ পিন্ধি থকাৰ বাবে সাঁতুৰিব পৰা নাছিল কুশল কলিতাই৷ কেইবা ঘণ্টাৰ পাছত কুশল কলিতাক স্থানীয় সাঁতুৰবিদে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল৷ ৭ জানুৱাৰীত কুশল কলিতাৰ মৃতদেহ আৰক্ষীৰ জিম্মাত ৰখাৰ অন্তত ৮ জানুৱাৰীত মৃতদেহ গোৱালপাৰাৰ ঘৰলৈ লৈ অহা হয়৷

মৃতদেহ ঘৰ আহি পোৱাৰ পাছতে শোকবিহ্বল পৰিৱেশৰ সূচনা হয়৷ পৰিয়ালে ৰাউচি জুৰি কান্দি এই মৃত্যুক যে সহজে ল'ব পৰা নাই সেই কথ্য স্পষ্ট হয়৷ মাজুলীৰ নাও দুৰ্ঘটনাৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে নদী যাত্ৰাত লাইফ জেকেট জৰুৰী কৰিছিল৷ কিন্তু খোদ আৰক্ষীয়ে সেই নীতি মানি চলা নাছিল৷ আৰক্ষীয়ে কৰ্তব্য পালনৰ সময়ত লাইফ জেকেট পিন্ধা নাছিল বা লগত লৈ যোৱা নাছিল৷ জিলাখনত লাইফ জেকেট মজুত আছে নে নাই তাকে লৈ সন্দিহান হৈ পৰিছে ৰাজ্যবাসী৷ তাৰ মাজতে আৰক্ষী উদ্ধাৰৰ প্ৰয়াস কৰা স্থানীয় লোকক আৰক্ষীয়ে দিব পুৰস্কাৰ৷ তলতীয়া আৰক্ষীৰ মৃত্যুৰ পাছতে এনে নিৰ্লজ্জ ঘোষণা কৰিছে দক্ষিণ শালমৰা মানকাচাৰ জিলাৰ আৰক্ষী অধীক্ষক হৰেণ টকবিয়ে৷ আৰক্ষী চকী পৰিদৰ্শন কৰিবলৈ যোৱাৰ সময়তে লুইতৰ বুকুত পৰি সলিল সমাধি ঘটা আৰক্ষীৰ কনিষ্টবল কুশল কলিতাৰ মৃত্যুক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ মাজতে সংবাদমেল পাতি নিৰ্লজ্জ ঘোষণা কৰিছে হৰেণ টকবিয়ে৷ সংবাদমেলত আৰক্ষী অধীক্ষকে কয় যে আমাৰ পৰা ৫-৬ মিটাৰ দূৰত আছিল লৰাটো৷ কাষ চাপি অহা যাত্ৰাবাহী নাৱৰ যুৱকে জপিয়াই উদ্ধাৰৰ চেষ্টা চলাইছিল৷ সেই যুৱকসকলক পৰিচয় উদ্ধাৰ কৰা হৈছে৷ তেওঁলোকক পুৰস্কাৰ দিয়া হ'ব৷ আমি ভাবিছিলো কুশল কলিতা বাচিব৷ কুশল কলিতা পৰি যোৱাৰ কথাক মন দিয়া নাছিলো৷ ইফালে আৰক্ষী অধীক্ষক টকবিৰ ফটো তুলিবলৈ ধৰাৰ সময়তে কুশল কলিতা পৰি গৈছিল বুলি অভিযোগ উত্থাপন হৈছে৷ এই অভিযোগক নস্যাৎ কৰি অতি তৰল মন্তব্য প্ৰদান কৰি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী অধীক্ষক টকবিয়ে কয় যে কুশল কলিতাই পত্নীক ফোন কৰিবলৈ ধৰোতে পানী পৰি গৈছিল৷ দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফকিৰগঞ্জৰ কাছাৰীপাৰাত এই ঘটনা সংঘটিত হৈছিল৷ ৭ জানুৱাৰীৰ পুৱাৰ ভাগত এই ঘটনা সংঘটিত হোৱাৰ পাছতে উদ্ধাৰকাৰী দল আৰু স্থানীয় লোকে কেইবা ঘণ্টাৰ অন্তত নদীৰ বুকুৰ পৰা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ জানিব পৰা মতে, ৭ জানুৱাৰীৰ পুৱা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী অধীক্ষক হৰেণ টকবি, উপ-আৰক্ষী অধীক্ষক চন্দ্ৰ কুমাৰ কলিতাসহ আৰক্ষীৰ এটা দলে ফকিৰগঞ্জ থানাৰ পৰা বন্দিহানা আৰক্ষী চকীলৈ ইঞ্জিনচালিত নাৱত ব্ৰহ্মপুত্ৰৰ বুকুৰে যাত্ৰা কৰিছিল৷ যাত্ৰা কৰি থকাৰ সময়তে হঠাতে কুশল কলিতা নদীৰ বুকুত পৰি সন্ধানহীন হয়৷ জোৱান কুশল কলিতা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ উপ-আৰক্ষী অধীক্ষক চন্দ্ৰ কুমাৰ কলিতাৰ দেহৰক্ষী আছিল বুলি জানিব পৰা গৈছে৷

# ম্যানমাৰৰ আলফাৰ শিবিৰত ড্ৰ’ন আক্ৰমণ, ২ কেডাৰ আহত

## ভাৰত চৰকাৰে আক্ৰমণ সংঘটিত কৰাৰ অভিযোগ

**ই-সংবাদ, গুৱাহাটী, ৮ জানুৱাৰীঃ** আলফাৰ আলোচনাপন্থী গোটে দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ সৈতে বুজাবুজি ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰৰ পাছতে আলফাৰ আন এটা গোটক ভাৰত চৰকাৰে উৎখাত কৰিব খুজিছে বুলি অভিযোগ উত্থাপন হৈছে! কিয়নো ম্যানমাৰস্থিত আলফা স্বাধীনৰ শিবিৰত ড্ৰোণেৰে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ নিষিদ্ধ সংযুক্ত মুক্তি বাহিনী স্বাধীনে ৮ জানুৱাৰীত দাবী কৰি কয় যে দেওবাৰে পুৱতি নিশা ম্যানমাৰৰ ‘কেম্প এভাৰেষ্ট’ শিবিৰত ড্ৰোণ আক্ৰমণ কৰা হৈছে৷ এই আক্ৰমণত আলফা স্বাধীনৰ দুজন কেডাৰ এক বিবৃতিত আঘাতপ্ৰাপ্ত হৈছে। আলফা স্বাধীনে কয় যে এটা শিবিৰত ড্ৰোণেৰে তিনিটা বোমা নিক্ষেপ কৰা হৈছিল। প্ৰথমটো আবেলি ৪.১০ বজাত, দ্বিতীয়টো দুই মিনিট পিছত আৰু তৃতীয়টো আবেলি ৪.২০ বজাত৷ আলফা স্বাধীনে লগতে কয় যে তৃতীয় বোমাটো বিস্ফোৰণ হোৱা নাছিল৷ আমাৰ সংগঠনৰ দুজন সদস্য প্ৰথম দুটা বিস্ফোৰণত সামান্য আঘাতপ্ৰাপ্ত হৈছে৷ আলফা স্বাধীনে দাবী কৰি কয় যে আক্ৰমণ ভাৰতীয় সুৰক্ষা বাহিনীৰ দ্বাৰা কৰা হৈছে৷ কিন্তু এই অভিযোগৰ ভিত্তিত কি সেই কথা উল্লেখ কৰা নাই৷ গুৱাহাটীস্থিত এজন সেনা বিষয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমক কয় যে সংগঠনটোৱে দাবী কৰাৰদৰে এনে কোনো ঘটনাৰ বিষয়ে তেওঁলোকৰ ওচৰত কোনো তথ্য নাই। যিহেতু উক্ত কাণ্ড আন এখন দেশত সংঘটিত হৈছে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মন্তব্যৰ কথা কয় সেনা বিষয়াজনে৷ উত্তৰ-পূবত দীৰ্ঘ সময় সশস্ত্ৰ বিদ্ৰোহ চলাই অহা আলফাৰ আলোচনাপন্থী গোটে কেন্দ্ৰীয় আৰু অসম চৰকাৰৰ সৈতে ২১ পৃষ্ঠাৰ চুক্তি স্বাক্ষৰ কৰিছে৷ তাৰ পাছতে পৰেশ বৰুৱা নেতৃত্বাধীন গোটেও আলোচনাৰ মেজলৈ আহিব বুলি খবৰ প্ৰকাশ হৈ আহিছে৷ তাৰ মাজতে পৰেশ বৰুৱা নেতৃত্বাধীন গোটে ম্যানমাৰৰ শিবিৰত আক্ৰমণৰ অভিযোগ উত্থাপন কৰাত ৰাজ্যত মৃদু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ নাগালেণ্ডৰ মন জিলাৰ সমীপৱৰ্তী ম্যানমাৰৰ ভূখণ্ডৰ অটব্য জংঘলত আছে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা স্বাধীনৰ ‘কেম্প এভাৰেষ্ট’৷ ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ নিলৰ কেম্পত থাকে আলফা স্বাধীনৰ অন্যতম শীৰ্ষ নেতা নয়ন অসম ওৰফে নয়ন মেধি। আলফা স্বাধীনৰ উচ্চ সদনৰ সভাপতিৰ দায়িত্বত আছে নয়ন অসম৷ বোমা বিস্ফোৰণৰ সময়ত শিবিৰত মেজৰ জেনেৰেল নয়ন মেধি বা কোনো শীৰ্ষ নেতা আছিল নে নাই সেই কথা জানিব পৰা হোৱা নাই৷

### বিডিঅ’, কম্পিউটাৰ সহায়কসহ কেবাজনকো গ্ৰেপ্তাৰ

# বিহপুৰীয়া-চমৰিয়াত দুৰ্নীতি নিবাৰকৰ বৃহৎ অভিযান

**ই-সংবাদ, ৮ জানুৱাৰীঃ** ৮ জানুৱাৰীত দুৰ্নীতি নিবাৰক শাখাই ৰাজ্যৰ কেইবাঠাইত অভিযান চলাই চৰকাৰী বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ চমৰিয়াৰ খণ্ড উন্নয়ন বিষয়া দীপ্তা কণ্ঠ চমুৱাক ঘোচ লোৱাৰ সময়তে হাতে-লোটে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ লগতে চমৰিয়াৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ কম্পিউটাৰ সহায়ক ভাস্কৰজ্যোতি দত্তকো গ্ৰেপ্তাৰ কৰা হয়৷ চমৰিয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিষয়া দীপ্তা কণ্ঠ চমুৱাই টকা ঘটিবলৈ বজাৰ বহুওৱাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ কম্পিউটাৰ সহায়ক ভাস্কৰজ্যোতি দত্তৰ দ্বাৰা বিল পৰিশোধ কৰাৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ তাৰ মাজতে আজি দুৰ্নীতি নিবাৰক শাখাই চলোৱা অভিযানত বিষয়া দীপ্তা কণ্ঠ চমুৱা আৰু কম্পিউটাৰ সহায়ক ভাস্কৰজ্যোতি দত্তক ঘোচ লোৱাৰ সময়তে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ জানিব পৰা মতে, এজন লোকক বিল পৰিশোধ কৰাৰ নামত উৎকোচ দাবী কৰিছিল আৰু উৎকোচ লোৱাৰ সময়তে চমৰিয়াৰ খণ্ড উন্নয়ন বিষয়া দীপ্তা কণ্ঠ চমুৱা গ্ৰেপ্তাৰ হয়৷ ইপিনে বিহপুৰীয়া ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই৷ অভিযান কালত ১৫ হেজাৰ টকা ঘোচ লোৱাৰ সময়তে হাতে-লোটে ধৰা পৰে লাটমণ্ডল ৰাজীব শইকীয়া৷ লাটমণ্ডল ৰাজীৱ ডেকাৰ সৈতে ধন সংগ্ৰহত জড়িত দিব্যজ্যোতি দেউৰীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় দুৰ্নীতি নিবাৰক শাখা৷ বিহপুৰীয়া চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পান দোকানৰ পৰা দিব্যজ্যোতি দেউৰীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় দুৰ্নীতি নিবাৰক শাখা৷ এই ঘটনাই এতিয়া সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# কুঁৱলীৰ বাবে দেৰগাঁৱৰ দুৰ্ঘটনা হোৱা বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয়লা মাফিয়াক ৰক্ষণাবেক্ষণ দিছে!

## সংবাদমেলত কৃষক মুক্তিৰ নেতা বিদ্যুৎ শইকীয়াৰ অভিযোগ

**ই-সংবাদ, গুৱাহাটী, ৮ জানুৱাৰীঃ** দেৰগাঁৱত ১২গৰাকী লোকে প্ৰাণ হেৰুওৱা অভিশপ্ত পথ দুৰ্ঘটনাক লৈ সংবাদমেল অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীক তীব্ৰ সমালোচনা কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। চৰকাৰ আৰু প্ৰশসানে পথ দুৰ্ঘটনাৰ মুখ্য কাৰণ উল্লেখ নকৰি বাছ চালকে মদ্যপান কৰা বুলি অনা অভিযোগক লৈ ক্ষোভ ব্যক্ত কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংগঠনটোৱে কয় যে ঘটনা সংঘটিত হোৱাৰ পাছতে আমি তালৈ গৈছো। আমি নিজ চকুৰে দেখিছো যে বাছখনে নিজৰ দিশত বাওফালে গৈছিল। চক্ৰপাণি নামৰ বাছখন নিজৰ স্থানত থকা বুলি দাবী কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে মুখ্যমন্ত্ৰীয়ে কুঁৱলীৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱা বুলি কৰা দাবীক নস্যাৎ কৰি কুঁৱলী থকাৰ পাছতো বাছখনে ডেৰশ কিলোমিটাৰ সুকলমে আহিছিল বুলি কয়। মুখ্যমন্ত্ৰীয়ে কৈছে চালকজনে মদ খাইছিলে। মদ খাই আছিল নে নাই সেই কথা আমি নাজানো। মদ খাই থকাটো দুৰ্ঘটনাৰ কাৰণ হ'ব পাৰে। কিন্তু সেইটো এটা বেলেগ কথা। মদ খালেও চালকজনে নিজৰ দিশত, কুঁৱলী হ'লেও বাছখনৰ চালকেজনে নিজৰ ঠাইতে আছে বুলি কয় কৃষক মুক্তিয়ে। সেই ট্ৰাকখনত কয়লা আছিল বাবেই এতিয়া ট্ৰাকখনৰ কথা পুলিচ-প্ৰশাসন আৰু চৰকাৰে একো নকয়। কিয়নো সেই গাড়ীখনত আছিল কয়লা। অসমত এতিয়া ব্যাপক ৰূপত অবৈধ কয়লাৰ ব্যৱসায় চলিছে। ব্যাপক ৰূপত চিণ্ডিকেট চলিছে। এই ব্যৱসায় চৰকাৰৰ পৃষ্ঠপোষকতাত চলিছে। এই ব্যৱসায়ত মূল মানুহ তিনিজন জড়িত বুলি কৈ সংগঠনটোৱে নামসমূহ উল্লেখ কৰি কয় যে গোবিন ছেত্ৰী, সুনীল গুৰুং, বি গণেশ। ইয়াৰ লগতে মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মাৰ ভতিজা ৰুছি শৰ্মা জড়িত। এইসকলে তিনিচুকীয়াত বাহৰ পাতি কনভয় লৈ ঘূৰা-ফুৰা কৰে। পিএছঅ' লৈ ঘূৰে। চৰকাৰৰ বৰঘৰৰ মানুহ। কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে বাৰে বাৰে এই অভিযোগ উত্থাপন কৰি অহাৰ পাছতো চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। প্ৰতিদিনে পুৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত অবৈধ কয়লা কঢ়িওৱা ট্ৰাকসমূহে পলায়ন কৰে। পলায়ন কৰা গাড়ীসমূহে দিশ নাচায়। পলায়ন কৰা গাড়ীসমূহে যিকোনো ঘটনা সংঘটিত কৰিব পাৰে বুলি দাবী কৰে সংগঠনটোৱে। দেৰগাঁৱৰ ঘটনাটো সংঘটিত কৰিছিল তেনেকুৱা এখন পলৰীয়া গাড়ীয়ে। বৰ্তমানেও গাড়ীখন তাত পৰি থকা বুলি কৈ সংগঠনটোৱে কয় যে AS-01-PC-0648 নম্বৰৰ গাড়ীখনৰ মালিক হৈছে আব্দুল বাৰিক। চালকজন মালিকৰ পুত্ৰ নুৰ আলম আছিল। সেই গাড়ীখন ভাড়ালৈ লৈছিল জমিৰ আলী নামৰ কয়লা ব্যৱসায়ীয়ে। জমিৰ আলী হৈছে কয়লা মাফিয়া। তিনিচুকীয়াৰ লিডুৰ ৭ নং ঝৰ্ণাবস্তীৰ পৰা কয়লা আনিছিল। পুলিছে এই ঘটনাক এছ.বি এণ্টাৰপ্ৰাইজৰ নাম লৈ মিছা কৈছে। ৩ জানুৱাৰীৰ পুৱা পথ দুৰ্ঘটনা সংঘটিত হৈছিল। কিন্তু ২ জানুৱাৰীত গাড়ীখনক ৰে-বিল দিছিল। ৫৬.৫৩ টন কয়লা লৈ ২ জানুৱাৰীৰ আবেলি ২ বজাত ৰাওনা হোৱা বুলি কোৱা হৈছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ আগৰ আছিল এই তথ্য। কিন্তু দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত এই তথ্য সলনি কৰা হৈছে। অজয় কুমাৰ মণ্ডল নামৰ মানুহজনৰ নামত ভুৱা জিএছটি দিয়ে। কিন্তু ধুবুৰীৰ অজয় কুমাৰ মণ্ডলে যেতিয়া কয়লা ব্যৱসায়ৰ কথা নস্যাৎ কৰিলে আৰু সামান্য গেছ এজেন্সিৰ ব্যৱসায় কৰো বুলি ক'লে তেতিয়া দুৰ্ঘটনা সংঘটিত হোৱাৰ দিনটোৰ ২ বজাত বেলেগ এখন ইৱে-বিল উলিয়াই। এছ.বি এণ্টাৰপ্ৰাইজৰ পৰা ট্ৰাকখন অহা দেখুৱাই কয়লাৰ পৰিমাণ কম দেখুৱাই। ২৯.৫৬ টন কয়লাৰ নিয়া বুলি উল্লেখ কৰে। এনেদৰে বিভিন্ন মানুহৰ নামত ভুৱা বিল লৈ অবৈধ কয়লাৰ ব্যৱসায় চলিছে। যি কথা মানুহে গমেই নাপায়। এই ঘটনা সংঘটিত হোৱাত এই কথা পোহৰলৈ আহিছে। ৰোড পৰিবহনে এখন চৈধ্য চকাৰ ট্ৰাকত ২৮.৫ টন সামগ্ৰী কঢ়িওৱাৰ অনুমিত প্ৰদান কৰিছে। যেতিয়া দুৰ্ঘটনা সংঘটিত হ'ল তেতিয়া ৫৬.৫৩ টন কয়লা অবৈধভাবে অনা বুলি তথ্য পোহৰলৈ আহিলে। তেতিয়া দুৰ্ঘটনা সংঘটিত হোৱা দিনটোতে আন এখন বিল উলিয়াই কয়লা ২৯.৫৬ টন থকা বুলি দেখুৱালে। ঘটনা সংঘটিত হোৱাৰ দিনটোত মুখ্যমন্ত্ৰীয়ে মদ্যপান কৰা আৰু কুঁৱলীত কিয় যাব লাগে বুলি কোৱা কথাক উভতি ধৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰি কয় যে সিদিনা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত কেৱল বাছখনহে চলিছিল নেকি? সিদিনা অহৰহ গাড়ী গৈ আছিল। নাইট চুপাৰবোৰ গৈ আছিল। মুখ্যমন্ত্ৰীৰ মতে সকলো গাড়ী পথাৰত বাগৰি পৰিব লাগিছিল। মুখ্যমন্ত্ৰীয়ে এই দুৰ্ঘটনা কেৱল কুঁৱলীৰ বাবে হোৱা বুলি কৈ কয়লা মাফিয়াক ৰক্ষণা-বেক্ষণ দিয়া বুলি অভিযোগ উত্থাপন কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়াই।

# ৩০ ডিচেম্বৰত শপত লোৱা মন্ত্ৰী পৰাস্ত

# বিজেপি শাসিত ৰাজস্থানৰ উপ-নিৰ্বাচনত কংগ্ৰেছৰ বৃহৎ জয়

**জয়পুৰ, ৮ জানুৱাৰীঃ** ৰাজস্থান বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ৩ ডিচেম্বৰত ঘোষণা কৰা হৈছিল। ৰাজস্থানত বিজেপিয়ে সংখ্যাগৰিষ্ঠা লাভ কৰি চৰকাৰ গঠন কৰিছে। কিন্তু ৰাজস্থানৰ কৰণপুৰ বিধানসভা সমষ্টিত অনুষ্ঠিত উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী জয়ী হৈছে। এমাহ ৫ দিনৰ পাছত অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীক পৰাজিত কৰি বৃহৎ ভোটৰ ব্যৱধানত জয়ী হৈছে কংগ্ৰেছ প্ৰাৰ্থী। কৰণপুৰ সমষ্টিত কংগ্ৰেছৰ ৰূপান্দৰ সিং কুনাৰে ৯৪ হাজাৰ ৭৬১টা ভোট লাভ কৰি জয়ী হয়। আনহাতে মুখ্য প্ৰতিদ্বন্দ্বী বিজেপিৰ প্ৰাৰ্থী তথা মন্ত্ৰী সুৰেন্দৰ পাল সিঙে ৮৩ হাজাৰ ৫০০ ভোট লাভ কৰিছে। কংগ্ৰেছ প্ৰাৰ্থী ৰূপিন্দৰ সিং কুনাৰে বিজেপিৰ সুৰেন্দ্ৰপাল সিঙক ১২,০০০ তকৈও অধিক ভোটত পৰাজিত কৰে। আনহাতে, বহুজন সমাজবাদী পাৰ্টীৰ অশোক কুমাৰে ৫১৪টা, আম আদমী পাৰ্টীৰ পৃথ্বিপাল সিঙে ১১,৯১২টা, নেচনেল জনমণ্ডল পাৰ্টীয়ে ৫১৮টা ভোট লাভ কৰিছে। নিৰ্বাচনৰ সময়ত কংগ্ৰেছৰ বিধায়ক গুৰমিত সিং কুনাৰৰ মৃত্যু হৈছিল। ফলত উপ-নিৰ্বাচনত গুৰমিত সিং কুনাৰৰ পুত্ৰ ৰূপান্দৰ সিং কুনাৰক প্ৰাৰ্থী হিচাপে থিয় কৰাই কংগ্ৰেছে। ইপিনে বিজেপি প্ৰাৰ্থী হিচাপে থিয় কৰাই দলৰ জ্যেষ্ঠ নেতা সুৰেন্দৰ পাল সিঙক। যিগৰাকী সুৰেন্দৰ পাল সিঙে ৩০ ডিচেম্বৰত মন্ত্ৰী হিচাপে শপত লৈছিল। কিন্তু ভাগ্যই সমৰ্থন নকৰাত উপ-নিৰ্বাচনত পৰাজিত হৈ মন্ত্ৰী পদো হেৰুৱালে সুৰেন্দৰ পাল সিঙে। ইয়াৰ লগে লগে ৰাজস্থান বিধানসভাত কংগ্ৰেছৰ সংখ্যা ৭০ লৈ বৃদ্ধি পালে। বিজেপিৰ হাতত থাকিল ১১৫ খন আসন। প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটে কুনাৰক অভিনন্দন জনাই কয় যে পিতৃ আৰু বিধায়ক গুৰমিত সিং কুনাৰৰ ৰাজহুৱা সেৱাৰ কামত এই বিজয় উৎসৰ্গিত। ভাৰতীয় জনতা পাৰ্টিৰ গৌৰৱক পৰাজিত কৰিছে। ৰাইজে বিজেপিক এটা শিক্ষা দিলে, নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীক মন্ত্ৰী কৰি আচৰণ বিধি আৰু নৈতিকতাক অমান্য কৰিছিল। উল্লেখ্য যে, পাঁচখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত তিনিখন ৰাজ্যত বিজেপিয়ে জয়লাভ কৰিছে। কংগ্ৰেছে এখন ৰাজ্যত লাভ কৰিছে। কিন্তু সামগ্ৰিক ভোটৰ ক্ষেত্ৰত চৰকাৰ গঠনত ব্যৰ্থ হ'লেও ১১ লাখৰো অধিক ভোটত অগ্ৰগতি লাভ কৰিছিল কংগ্ৰেছে।

# নিম্নমানৰ জিঅ'বেগ ব্যৱহাৰৰ অভিযোগ

# পুনৰ সৰৱ ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চ

**ই-সংবাদ, ৮ জানুৱাৰীঃ** ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ডিব্ৰুগড় জিলাৰ ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চ পুনৰ সোচ্চাৰ হৈ পৰিছে। ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই লাহোৱাল প্ৰেছ ক্লাবত সংবাদমেল অনুষ্ঠিত কৰি ৰহমৰীয়াৰ ভয়াবহ খহনীয়া ৰোধত চৰকাৰ বিফল হোৱাৰ অভিযোগ উত্থাপন কৰে। সংবাদমেলত মঞ্চই গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰি কয় যে ইতিমধ্যে বান-গৰাখহনীয়া কৱলত পৰি প্ৰায় ৩৫ খন গাঁও নিঃশেষ হৈছে। অঞ্চলটোত বৰ্তমান অসম চৰকাৰৰ দুখন অভিলাষী আঁচনিৰ ৰূপায়ন হৈ আছে। ইয়াৰ ভিতৰত ৮ কৌটি ৫০ লাখ টকাৰে ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চলি আছে জিঅ'বেগৰ কাম। সমান্তৰালকৈ অসম চৰকাৰৰ জলসম্পদ বিভাগৰ দ্বাৰা ১৬ কৌটি টকাৰে ৰহমৰীয়া লাইন-বগৰীতলিয়া লকচনি সংযোগী অঞ্চলত অভিলাষী আঁচনিৰ কাম চলিছে। কিন্তু, দুয়োখন আঁচনিৰ ৰূপায়নৰ ক্ষেত্ৰত চৰম বিসংগতি দেখা দিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰহমৰীয়া গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই। নিম্নমানৰ জিঅ'বেগ ব্যৱহাৰৰ লগতে অন্যান্য সামগ্ৰী ব্যৱহাৰৰ ক্ষেত্ৰত ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে চৰম বিসংগতি সংঘটিত কৰিছে বুলি অভিযোগ উত্থাপন কৰে মঞ্চই। এইক্ষেত্ৰত জলসম্পদ বিভাগেও ঠিকাদাৰী প্ৰতিষ্ঠানৰ বিৰুদ্ধে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলিও কয় মঞ্চই। কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিলে ৰহমৰীয়াত আন্দোলন আৰম্ভ হ'ব বুলি স্পষ্ট কৰিছে গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই।

# কোকৰাঝাৰ আৰক্ষীৰ বৃহৎ সাফল্য, ১১খন চুৰি বাইক উদ্ধাৰ

## চুৰি কাৰ্যত জড়িত এনএলএফবি কেডাৰক গ্ৰেপ্তাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৮ জানুৱাৰীঃ** কোকৰাঝাৰত মটৰচাইকেল চুৰি কাণ্ডৰ সৈতে এনএলএফবি কেডাৰ জড়িত হোৱা কাণ্ডই জিলাখনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মটৰচাইকেল চুৰি কাণ্ডৰ সতে জড়িত হৈ গ্ৰেপ্তাৰ হোৱা এনএলএফবি সদস্য গৰাকীৰ নাম ধ্ৰুৱজিৎ নাৰ্জাৰী (২৩) বুলি আৰক্ষীয়ে সদৰি কৰিছে। তদুপৰি আৰক্ষীয়ে তেওঁৰ সহযোগী গৌথাৰ নাৰ্জাৰী (১৯)কো গ্ৰেপ্তাৰ কৰিছে। দুয়োটা চোৰকে আৰক্ষীয়ে বাশবাৰীৰ পৰা গ্ৰেপ্তাৰ কৰিছে আৰু এনএলএফবি সদস্য তথা মটৰচাইকেল চোৰ ধ্ৰুৱজিৎ নাৰ্জাৰীৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা ১১ খন চুৰি হোৱা মটৰচাইকেল উদ্ধাৰ কৰিছে। এই সন্দৰ্ভত কোকৰাঝাৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনেশ্বৰ বে'ই সদৰি কৰা মতে মটৰচাইকেল চুৰিৰ গোচৰৰ (নং৪০৯/২০২৩) ভিত্তিত আৰক্ষীয়ে ছেৰফাংগুৰি, কচুগাঁৱত আৰু বাশবাৰীত অভিযান চলাইছিল। সেই অভিযানতে বাশবাৰীৰ পৰা আৰক্ষীয়ে ধ্ৰুৱজিৎ নাৰ্জাৰী (২৩) আৰু গৌথাৰ নাৰ্জাৰী (১৯) নামৰ দুটা মটৰচাইকেল চোৰক আটক কৰে। ইয়াৰে ধ্ৰুৱজিৎ নাৰ্জাৰী এনএলএফবি কেডাৰ বুলি আৰক্ষী বিষয়াগৰাকীয়ে সদৰী কৰিছে। পিছত আটকাধীন ধ্ৰুৱজিৎ নাৰ্জাৰীৰ স্বীকাৰোক্তিত ভিত্তিত আৰক্ষীয়ে সেৰফাংগুৰী আৰু সৰলপাৰাকে ধৰি বিভিন্ন ঠাইত লুকাই ৰখা অৱস্থাৰ পৰা ১১ খনকৈ পালছাৰ মটৰচাইকেল উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উদ্ধাৰকৃত ১১খন মটৰচাইকেলৰ ভিতৰত ৭খনে কোকৰাঝাৰ থানাৰ অন্তৰ্গত বিভিন্ন এলেকাৰ বুলি আৰক্ষীয়ে সদৰি কৰিছে। উল্লেখ্য যে কোকৰাঝাৰ চহৰত মটৰ চাইকেল চুৰি কৰি চোৰে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। আনকি কেইদিনমান পূৰ্বেও তিনিখনকৈ মটৰ চাইকেল চুৰি হৈছিল। জনতা আৰু আৰক্ষীৰ নিদ্ৰাহৰণ কৰা চোৰ দুটাক অৱশেষত আৰক্ষীয়ে কৰায়ত্ব কৰি ১১ খনকৈ চুৰি হোৱা মটৰচাইকেল উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাটো আৰক্ষীৰ সফলতা বুলি বিবেচিত হৈছে। আৰক্ষীয়ে চোৰ দুটাক আজি আদালতত হাজিৰ কৰাই চাৰিদিনৰ জিন্মালৈ আনে। অধিক তথ্যৰ সন্ধানত আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।



কোকৰাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হোৱা বাইক চোৰ দুটা, সোমবাৰৰ দৃশ্য

শেষ পৃষ্ঠা



## ৰিয়ানৰ শতৰাণ সত্বেও ৰঞ্জিত পৰাস্ত অসম

**ৰাইপুৰ, ৮ জানুৱাৰীঃ** অধিনায়ক ৰিয়ান পৰাগৰ দুৰ্দান্ত শতৰাণৰ পিছতো ৰঞ্জি ট্ৰফিৰ এলাইট গ্ৰুপ 'বি'ৰ এখন মেছত ছত্তিছগড়ৰ বিৰুদ্ধে দহ উইকেটত পৰাস্ত হয় অসম। শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হোৱা চাৰি দিনীয়া মেছখনত প্ৰথম ইনিংছত ছত্তিছগড়ে কৰা ৩২৭ ৰাণৰ প্ৰত্যুত্তৰত অসমে ১৫৯ কৰি ফলো-অনৰ সন্মুখীন হয়। ফলো-অনৰ পিছত দ্বিতীয় ইনিংছ আৰম্ভ কৰি বিদত পৰে অসম। এটা সময়ত আলহী দলটো ইনিংছ ব্যৱধানত পৰাস্ত হ'ব বুলিয়েই ভাবিছিল সকলোৱে। সেই সময়ত অধিনায়ক ৰিয়ান পৰাগে ৮৭ বলত ১৫৫ ৰাণৰ এক ইনিংছ উপহাৰ দিয়ে। য'ত আছে ১১ চাৰি আৰু ১২ ছয়। কালি ৮২ ৰাণত অপৰাজিত হৈ থকা ৰিয়ানে আজি শতৰাণ সম্পূৰ্ণ কৰিলেও দলৰ পৰাজয় ৰোধ কৰাত ব্যৰ্থ হয়। ঘৰুৱা দলটোক জয়ৰ বাবে প্ৰয়োজন হোৱা ৮৭ ৰাণ কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰি জয় লাভ কৰি সম্পূৰ্ণ সাত পইণ্ট লাভ কৰে।

## কৰ্ণাটকত চাঞ্চল্যকৰ ঘটনা

# যশৰ জন্মদিন উদযাপন কৰিবলৈ গৈ ৩ যুৱকৰ মৃত্যু

**অনলাইন ফিচাৰ্ছ, ৮ জানুৱাৰীঃ** দক্ষিণৰ তাৰকা যশৰ জন্মদিনৰ উদযাপনৰ কৰিবলৈ গৈ মৃত্যুক সাৱটিবলগীয়া হ'ল তিনি অনুৰাগী যুৱকে। কৰ্ণাটকত সংঘটিত এই ঘটনাই মৰ্মাহত কৰিছে সকলোকে। সোমবাৰে ৩৯ বছৰত ভৰি দিয়ে তাৰকা অভিনেতাগৰাকীয়ে। চুপাৰহিট ছবি 'কেজিএফ'ৰ নায়ক যশৰ জন্মদিনক লৈ সমগ্ৰ কৰ্ণাটকতে অনুৰাগীসকলৰ মাজত দেখা যায় ব্যাপক উচ্ছ্বাস। কিন্তু তাৰ মাজতে ৰাজ্যখনৰ গোদাগ জিলাত সংঘটিত হয় এক মৰ্মান্তিক ঘটনা। য'ত প্ৰিয় নায়কৰ জন্মদিন উদযাপনৰ প্ৰাকক্ষণত প্ৰাণ হেৰুৱাবলগীয়া হয় তিনি যুৱকে। আৰক্ষীৰ সূত্ৰ অনুসৰি, অঞ্চলটোৰ তিনি যুৱক ক্ৰমে মুৰুলী, নবীন আৰু হনুমন্তই প্ৰিয় তাৰকা যশৰ জন্মদিন উপলক্ষ্যে নিৰ্মাণ কৰিছিল এখন বেনাৰ। সোমবাৰে পুৱা সেই বেনাৰখন আঁৰিবলৈ লোৱাৰ সময়তে বিদ্যুৎস্পৃষ্ট হয় তিনিওজন যুৱক। যাৰ ফলত তিনিওজন অনুৰাগীৰ ঘটনাস্থলীতে মৃত্যু ঘটে। আৰক্ষী অধীক্ষকে জনোৱা মতে, বেনাৰখন ধাতুৰ ফ্ৰেমৰ দ্বাৰা নিৰ্মিত আছিল। যাৰ ফলত ফ্ৰেমটো বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শলৈ অহাত এই দুৰ্ঘটনাটো সংঘটিত হয়। আনহাতে, অঞ্চলটোৰ স্থানীয় বিধায়কগৰাকীয়ে এই ঘটনাৰ বাবে শোক প্ৰকাশ কৰি অভিনেতা যশক মৃতকৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰিবলৈ অনুৰোধ জনায়। অৱশ্যে সোমবাৰে ছ'চিয়েল মিডিয়াত যশে এটা পোষ্ট কৰি তেওঁৰ অনুৰাগীসকলক জনায় যে এইবাৰ জন্মদিনৰ সময়ত তেওঁ চহৰৰ পৰা আঁতৰি থাকিব।




নলবাৰীত অগপৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্ত বাইক ৰেলী

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান